## ষষ্ঠ অধ্যায়

# উপসংহাৰ

আমাৰ অধ্যয়নৰ পূৰ্বৱৰ্তী অধ্যায়বোৰত লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু সাহিত্য, লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ শ্ৰেণী বিভাগ বিষয়বস্তু আৰু বৈশিষ্ট, লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ চৰিত্ৰ বিশ্লেষণ, লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ হাস্য-ব্যঙ্গাত্মক চিত্ৰায়ন, লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ ৰচনাশৈলী আদি বিভিন্ন শিতানত গল্পলেখকৰ ব্যক্তিগত জীৱন আৰু সামাজিক জীৱন তথা সাহিত্যিক কৰ্মৰাজিৰ নন্দনতাত্ত্বিক দোষ-গুণ বিতংভাৱে আলোচনা কৰা হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত যিসকল গল্পলেখকৰ নাম অন্তৰ্ভুক্ত হৈছে, সেইসকলৰ মাজত লক্ষ্মীনাথ ফুকনো যে এজন স্বনামধন্য গল্পলেখক— এই কথাটো আমাৰ অধ্যয়নত স্পষ্ট হৈ পৰিছে। আনহাতে বিভিন্ন সমালোচকে লক্ষ্মীনাথ ফুকনক আৱাহনকালীন গল্পলেখক বোলাৰ যুক্তিযুক্ততা এই অধ্যয়নে মষিমূৰ কৰিছে। কিয়নো গল্প ৰচনাৰ আৰম্ভণি 'আৱাহন যুগ'ত হ'লেও তেওঁৰ পৰৱৰ্তী গল্পসমূহৰ ৰচনা আৰু প্ৰকাশ 'ৰামধেনু যুগ'তহে সমাপন হোৱা দেখা গৈছে। গতিকে ৰচনা কাললৈ দৃষ্টি ৰাখি লক্ষ্মীনাথ ফুকনক 'ৰামধেনু যুগ'ৰ গল্পলেখক বোলাৰ যুক্তিযুক্ততা আছে।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পসমূহৰ মূল আধাৰ হ'ল অভিজ্ঞতালব্ধ বাস্তৱতা। পেশাগতভাৱে সাংবাদিক হোৱা বাবে তেওঁ সততে সমাজৰ ভিন্ন প্ৰান্তৰ নানান পৰ্যায়-পৰিস্থিতিৰ সতে একাত্ম হ'ব লগা হৈছিল। তদুপৰি ব্যক্তিগত জীৱনৰ যি ভ্ৰাম্যমান চৰিত্ৰ, সিয়ে তেওঁক বিভিন্ন প্ৰান্তৰ পৰা গল্পৰ বিষয় চয়নৰ বাবে সুবিধা দিছিল। আনহাতে মানুহৰ প্ৰতি থকা আগ্ৰহ আৰু ভালপোৱাই তেওঁক মানৱ চৰিত্ৰৰ বিচিত্ৰতাৰ ওপৰত ধাৰণা ল'বলৈকো সহায় কৰিছিল। জাতীয় আৰু সমাজ সচেতনতাৰ বাবে লক্ষ্মীনাথ ফুকনৰ গল্পবস্তুত অন্তঃলীলা ফল্গুৰ দৰে ব্যঙ্গাত্মক সুৰ প্ৰৱাহিত হৈ থকা কথাটোও এইখিনিতে মনকৰিবলগীয়া।

লক্ষ্মীনাথ ফুকনৰ পৰৱৰ্তীকালীন গল্পৰ মাজতো ব্যঙ্গাত্মক বাক্‌ভঙ্গী পৰিলক্ষিত হয়। অৱশ্যে সংখ্যাৰ ফালৰ পৰা এনে ৰচনা যথেষ্ট তাকৰ। অসমীয়া সাহিত্যত চুটিগল্পৰ এটি ব্যঙ্গাত্মক ধাৰা আজিলৈকে প্ৰৱাহমান হৈ থকা নাই আৰু পৰৱৰ্তী কালতো ইয়াৰ সম্ভাৱনা প্ৰায় ক্ষীণ। এতিয়ালৈকে

যিখিনি হাস্য-ব্যঙ্গাত্মক ৰচনা পোৱা গৈছে, তাৰ মাজত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ ব্যঙ্গশৈলীৰ এক নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। তাৰ মাজতে অৱশ্যে নাৰীৰ সামাজিক স্থিতিৰ দিশত যুগ-সাপেক্ষে সাহিত্যিকসকলৰ ৰচনাত ভিন্ন ৰূপ চিত্ৰণ দেখা পোৱা যায়। লক্ষ্মীনাথ ফুকনৰ চুটিগল্পতো নাৰীৰ স্থিতি বিশেষভাৱে অংকিত হোৱা পৰিলক্ষিত হৈছে। এনেধৰণৰ সকলো দিশকে সামৰি লৈ পদ্ধতিগত অধ্যয়নৰ যোগেদি গৱেষণা গ্ৰন্থখনত বিচাৰ বিশ্লেষণ কৰা হৈছে।

'লক্ষ্মীনাথ ফুকনৰ চুটিগল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থখনিৰ প্ৰথম অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু সাহিত্যকৰ্মৰ সম্যক আলোচনা সন্নিবিষ্ট কৰা হৈছে। ইয়াত লক্ষ্মীনাথ ফুকনৰ ব্যক্তিগত জীৱনৰ নানান ঘটনাৱলীৰ লগতে আৰ্থিক আৰু মানসিক অৱস্থাৰ তথ্যসিদ্ধ বৰ্ণনা দিয়া হৈছে। বিশেষকৈ দেৰগাঁও অঞ্চলৰ পিছপৰা গাঁও 'চকিয়াল চুক'ত জন্ম লাভ কৰি যি সংঘাত-সমস্যাৰ মাজেৰে তেওঁ কৰ্ম জীৱনৰ পাতনি মেলিছিল, তাৰ সম্যক ধাৰণা এই অধ্যয়নত স্পষ্ট কৰা হৈছে। একালত ৰাজ পৃষ্ঠপোষকতা লাভ কৰা 'জুৰনে' বৃটিছৰ কৃপাত যিদৰে মৌজাদাৰীত্ব লাভ কৰি অনেক মাটি-সম্পত্তিৰ গৰাকী হৈছিল, লক্ষ্মীনাথ ফুকনৰ পূৰ্বপুৰুষ 'জুৰন'ৰ সেই সম্পত্তি পিতৃ কাৰ্ত্তিক ফুকনৰ সময়লৈকে নোহোৱা হৈছিল। গতিকে এক গৰিমাময় বংশৰ সন্তান হোৱা স্বত্বেও তেওঁৰ শৈশৱ আৰু কৈশোৰ অতি কষ্টৰ মাজেৰে অতিবাহিত হৈছিল। মেট্ৰিক পাছ কৰি কলেজত নাম ভৰ্ত্তি কৰাটো সেয়েহে তেওঁৰ বাবে আন এক প্ৰত্যাহ্বান আছিল। ফলত এবছৰ পিছত কলিকতালৈ গৈহে পঢ়াৰ ক্ষেত্ৰত তেওঁ পুনৰ মনোনিৱেশ কৰিব পাৰিছিল। এইখিনিতে দেখা যায় যে মানসিক সুস্থিৰতা ৰক্ষা কৰিব নোৱাৰি সভা-সমিতি, থিয়েটাৰ চোৱা আৰু প্ৰায়ে লাইব্ৰেৰীত বহি কিবা পঢ়া আৰু লিখাৰ কামত তেওঁ আত্মনিয়োগ কৰিছিল। এই অভ্যাসে অৱশ্যে পৰৱৰ্তীকালত লক্ষ্মীনাথ ফুকনক এগৰাকী সফল পেশাগত সাংবাদিক হোৱাত সহায় কৰিছিল। শব্দৰ পৱিত্ৰতা আৰু বাতৰিৰ সত্যতা ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ যি পদক্ষেপ, সিয়ে তেওঁৰ বাবে ওজা সাংবাদিক হিচাপে প্ৰতিষ্ঠাৰ বাট প্ৰশস্ত কৰি তুলিছিল। বাতৰি সম্পাদনাৰ নীতি নিৰ্দ্ধাৰণ কৰি সংবাদসেৱাৰ যোগেদি তেতিয়াৰ দিনতে লক্ষ্মীনাথ ফুকনে যিকেইটা অভিলেখ গঢ়িছিল, আজিলৈকে সেয়া সকলোৰে বাবে প্ৰশংসাৰ বিষয় হৈ আছে। কৰ্ম জীৱনৰ নীতি-নিৰ্দ্ধাৰণ আৰু সততই তেওঁৰ ব্যক্তিত্বক আকৰ্ষণীয় কৰি তোলাৰ কথা ইতিমধ্যে সকলোৱে স্বীকাৰ কৰিছে। এইধৰণৰ কথাৰ মূলতে আছিল তেওঁৰ জাতীয়তাবোধ, মানৱতাবোধ আৰু আপোচহীনতা।

মনকৰিবলগীয়া যে যি আপোচহীনতাই লক্ষ্মীনাথ ফুকনক সুদীৰ্ঘ একৈশ বছৰ ভ্ৰাম্যমান কৰি ৰাখিছিল, সেই আপোচহীনতাই তেওঁক ‘আসাম ট্ৰিবিউন’ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে একেৰাহে পচিশ বছৰৰ স্থায়ীত্বও প্ৰদান কৰিছিল।

সংবাদসেৱাৰ ব্যস্ততাৰ মাজতে লক্ষ্মীনাথ ফুকনে আজৰি উলিয়াই সাহিত্য চৰ্চাৰ কাম অব্যাহত ৰাখিছিল। এই অধ্যায়ত এয়া স্পষ্ট হৈছে যে চুটিগল্পৰ উপৰিও কবিতা, উপন্যাস, অনুবাদ সাহিত্য আৰু প্ৰবন্ধমূলক ৰচনাতো তেওঁৰ বিশেষ পাৰদৰ্শিতা আছিল। কাব্য সাহিত্যত দেৱকান্ত বৰুৱাৰ দৰে লক্ষ্মীনাথ ফুকনেও এখন মাত্ৰ কাব্যসংকলন ‘সোণালী সপোন’ৰ জৰিয়তে নিজৰ পাৰদৰ্শিতা প্ৰমাণ কৰিছে। আত্মজীৱনীমূলক ৰচনা ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ খনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা কথাটো সাহিত্য কৰ্মৰ আন এক সাৰ্থকতা। মনত ৰাখিবলগীয়া যে সাংবাদিকতাৰ প্ৰচুৰ ব্যস্ততা নাথাকিলে অসমীয়া সাহিত্যই হয়তো আৰু কেইখনমান উন্নত মানৰ ৰচনা লাভ কৰিলেহেঁতেন।

প্ৰবন্ধৰচক হিচাপে লক্ষ্মীনাথ ফুকনৰ ৰচনাসমূহৰ মানদণ্ড অতি উন্নত আছিল। পূৰ্বাপৰ এই মতামতসমূহ আমাৰ অধ্যয়নত সত্য হিচাপে প্ৰতিষ্ঠিত হৈছে। মনত ৰাখিবলগীয়া যে ‘মানৱৰ অধিকাৰ’ শীৰ্ষক প্ৰবন্ধ ৰচনাৰে লক্ষ্মীনাথ ফুকনে কলিকতাৰ সাংবাদিক মহলত তেতিয়াই চিনাকি হৈ পৰিছিল। পৰৱৰ্তী প্ৰায় পোন্ধৰখন অসমীয়া আৰু বঙলা কাকতত নানা প্ৰবন্ধ-পাতি প্ৰকাশ কৰাৰ সময়ত সেইবোৰো বহুজন সমাদৃত হৈছিল। গতিকে এই অধ্যয়নৰ জৰিয়তে সিদ্ধান্ত ল’ব পৰা যায় যে লক্ষ্মীনাথ ফুকন আছিল এজন বহুগুণ সংযুক্ত আৰু আপোচহীন ব্যক্তি, জাতীয়তাবোধ তথা মানৱতাবাদৰ প্ৰতিমূৰ্তি। মনৰ দৃঢ়তা আৰু কৰ্মকুশলতাৰ বাবে তেওঁ সংবাদসেৱাত দেখুওৱা কৃতিত্বৰ দৰে সাহিত্যসেৱাৰ ক্ষেত্ৰতো কৃতিত্ব দেখুৱাব পাৰিছে। পেশাদাৰী সাংবাদিকতাৰ পথ প্ৰদৰ্শক হোৱাৰ নিচিনাকৈ মানুহৰ চৰিত্ৰায়নৰ জৰিয়তে ব্যঙ্গাত্মক আৰু বিশেষ শ্ৰেণীৰ আত্মজীৱনীমূলক ৰচনাৰ পথ প্ৰদৰ্শক হ’ব পৰাৰ যোগ্যতাও তেওঁৰ আছিল। কঠোৰ জীৱন সংগ্ৰাম আৰু কাকত সম্পাদনাৰ কৰ্ম ব্যস্ততাই সেয়া হয়তো হ’বলৈ নিদিলে। নাম আৰু যশস্যাৰ বাবে তেওঁ কেতিয়াও কোনো আগ্ৰহ দেখুওৱা নাই; তথাপি একাশী বছৰীয়া জীৱনৰ অধিকাৰী হিচাপে যি পালে, তাকে লৈ তেওঁ পৰম সুখী মানুহ আছিল।

গৱেষণা গ্ৰন্থখনৰ দ্বিতীয় অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ শ্ৰেণীবিভাগ বিষয়বস্তু

আৰু বৈশিষ্ট বিশ্লেষণ কৰা হৈছে। তাৰবাবে ক্রমান্বয়ে গল্পপুথিকেইখনৰ প্ৰকাশক আৰু প্ৰকাশৰ সময়সীমা, গল্পসমূহৰ শ্ৰেণীবিভাজন কৰি সিসমূহৰ সংক্ষিপ্তসাৰ আৰু বৈশিষ্ট্যাৱলী আগবঢ়োৱা হৈছে।

লক্ষ্মীনাথ ফুকনৰ গল্পপুথি প্ৰকাশৰ প্ৰথম উৎসাহদাতা আছিল সহপাঠী কৃষ্ণকান্ত সন্দিকৈ। পৰৱৰ্তী পুথিসমূহ গুৱাহাটীস্থ বিভিন্ন প্ৰকাশক সংস্থাৰ দ্বাৰা প্ৰকাশিত হৈছিল। এই অধ্যায়ত এয়া স্পষ্ট হৈছে যে লক্ষ্মীনাথ ফুকনক লিখা-মেলাৰ ক্ষেত্ৰত উৎসাহ যোগোৱা ব্যক্তিসকলৰ ভিতৰত বৰপুত্ৰ জগদীশ ফুকন আৰু বৰ বোৱাৰী মীৰা ফুকনক এৰি বাকীবোৰ তেওঁৰ পৰিয়ালৰ বাহিৰৰ লোক আছিল। অৰ্থাৎ বন্ধু আৰু শুভাকাংক্ষীসকলৰ উৎসাহতে সাহিত্য ক্ষেত্ৰত তেওঁৰ আত্মনিয়োগ সম্ভৱ হৈছিল।

সমাজ অংগীভূত ব্যক্তি হিচাপে সমাজৰ উত্থান-পতন তথা সমস্যাই সমাজৰ সচেতন ব্যক্তি বিশেষক চিন্তিত কৰে। তদুপৰি মানুহৰ প্ৰতি অপাৰ ভালপোৱাৰ হেতু তেনে ব্যক্তিয়ে মানৱ কল্যানৰ বাবে কাম কৰিবলৈ উদ্‌গনি পায়। সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত তেনে ব্যক্তিয়ে নিজস্ব ৰচনাৰ মাজেৰে উক্ত চেতনাকে মূৰ্ত কৰি তোলা দেখা যায়। গল্পলেখক লক্ষ্মীনাথ ফুকনৰ ক্ষেত্ৰত উল্লিখিত সকলো কথাই সঁচা। প্ৰচুৰ সমাজ আৰু জাতীয় সচেতনতাবশতঃ তেওঁৰ গল্পসমূহত পটভূমি আৰু বিষয়ৰ বিভিন্নতা সংৰক্ষিত হৈছে। মানৱীয় আৱেগ-অনুভূতিক অগ্ৰাধিকাৰ দিলেও মূলতঃ তেওঁৰ গল্পত আছে পৰিবেশ-পৰিস্থিতিভেদে ঊনবিংশ শতিকাৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, নাৰী স্বাধীনতা, সামাজিক নিষ্পেষণ, যুগ প্ৰভাৱ পুষ্ট বিষয়-পৰিস্থিতি, দৰিদ্ৰতা, দ্বিতীয় বিশ্বযুদ্ধৰ কু-প্ৰভাৱ আৰু দেশে দেশৰ সতে যুঁজাৰ অভিসন্ধি আদি নানান প্ৰসঙ্গ। এই ক্ষেত্ৰত প্ৰাপ্ত বিভিন্ন সমালোচকৰ যুক্তি-চিন্তাৰ পুনৰীক্ষণ কৰি বিষয় বৈশিষ্ট্যৰ প্ৰতিষ্ঠা কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ আলোচনা কালত বিশেষভাৱে দৃষ্টিগোচৰ হোৱা বিষয়কেইটা হ'ল পৃষ্ঠভূমিৰ ক্ষেত্ৰত থকা বিভিন্নতা, বিষয়ক বৈচিত্ৰপূৰ্ণতা আৰু বক্তব্যৰ ভিন্নতা। ঊনবিংশ শতিকাৰ প্ৰথমৰ পৰা সত্তৰ দশকৰ সমাজ জীৱন লক্ষ্মীনাথ ফুকনৰ প্ৰায় সকলো গল্পৰে বিষয়বস্তু। তথাপি গল্পভেদে বিষয় চয়নৰ ক্ষেত্ৰখন ভিন ভিন হোৱা দেখা যায়। যেনে— স্বাধীনোত্তৰ বকটাজান চাহ বাগিচা, অন্ধবিশ্বাসজনিত গ্ৰামীণ সৰলতা, নগৰীয়া অভিজাত শ্ৰেণী চৰিত্ৰ, হিন্দু-মুছলমান সম্প্ৰীতি, দেৰগাঁৱৰ অসম নাট্যমৰ ঐতিহ্য, চাহাবলৈ মেম্ সোমাব খোজা অসমীয়া নাৰীৰ পৰিস্থিতিগত

হাৰিয়াস, সাংস্কৃতিক মান-সৎকাৰ, মূল্যবোধৰ অৱক্ষয় আৰু পাৰিবাৰিক সংঘাত, পঞ্জিকা আশ্ৰয়ী উৎসৱ আৰু প্ৰেমৰ অংকুৰণ, নিম্নবিত্তৰ জীৱন সংগ্ৰাম, কৃষক জীৱনৰ সৰলতা, নগৰীয়া স্বাৰ্থপৰতা, পাৰিবাৰিক সম্প্ৰীতি, বানপানীৰ আহুকাল, আধুনিকতাৰ বুকুত হেৰাই যাব ধৰা অতীতৰ মাদকতা, দণ্ডমুখৰ পৰম্পৰা, নাৰীৰ সামাজিক স্থিতি, অনুশোচনা আৰু অনুৰাগ, উদ্যোগিক বিকাশে কঢ়িয়াই অনা অন্তঃসাৰশূন্যতা, সংস্কৃতিক লৈ চলা বাণিজ্যিক অভিসন্ধি, ভোগবাদীৰ ফোঁপোলা প্ৰবৃত্তি, চৰিত্ৰ স্খলন, তথাকথিত জাত্যাভিমান, প্ৰেমৰ প্ৰকাশ, ধনতান্ত্ৰিক আৰু বস্তু চিন্তাৰ বিপৰীতে সঁচা প্ৰেমৰ প্ৰতিষ্ঠা, বিবাহ আৰু সাংসাৰিক অনিশ্চয়তা আদি। একেদৰে কিছুমান চুটিগল্পৰ পৃষ্ঠভূমিৰ নিৰ্দিষ্ট ক্ষেত্ৰ হ'ল যুদ্ধপূৰ্ব ডেকা-গাভৰুৰ প্ৰেম, বাঁৰীৰ ওপৰত অদৃষ্টৰ প্ৰভাৱ, নাৰীৰ মনস্তত্ত্ব কৃষিজীৱী গাঁৱৰ কৰ্মব্যস্ততা আৰু আন কিছুমান গল্পৰ পৃষ্টভূমিৰ নিৰ্দিষ্ট ক্ষেত্ৰ হ'ল যুদ্ধোত্তৰ আঢ্যৱন্ত পৰিয়াল, ডাক্তৰ বৃত্তিৰ মহত্ব আৰু কালিমা, মধ্যবিত্তৰ বহুপত্নীক পৰিণাম, নাৰীৰ স্থিতিগত সংঘাত আদি। লক্ষ্মীনাথ ফুকনৰ চুটিগল্পসমূহৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰায় সকলো গল্পৰ মূলগত কথা হ'ল মানুহৰ চাৰিত্ৰিক বৈশিষ্টাৱলী উদ্‌ঘাটন্। তাকে কৰিবলৈ যাওঁতে গল্পলেখকে ঊনবিংশ শতিকাৰ পৰিৱৰ্তিত সমাজখনকে সামগ্ৰিকভাৱে আধাৰ হিচাপে গ্ৰহণ কৰিছে। প্ৰতিটো গল্পৰ কাহিনীৰ গৰ্ভমূলত একোটা বিশেষ বিষয় বা পৰিস্থিতিৰ উপস্থিতি দৃষ্টিগোচৰ হৈছে। ইয়াৰ জৰিয়তে গল্পলেখক হিচাপে লক্ষ্মীনাথ ফুকনৰ দৃষ্টিৰ প্ৰসাৰতা প্ৰতিষ্ঠিত হৈছে। ক'ব গ'লে এয়াও তেওঁৰ কৃতিত্ব। মন কৰিবলগীয়া যে এগৰাকী সংবাদসেৱী হিচাপে থকা তেওঁৰ পৰ্যৱেক্ষণ ক্ষমতাই গল্পৰ বিষয় চয়নৰ ক্ষেত্ৰত তেওঁক বিশেষ সহায় কৰিছে। আনহাতে কাহিনীৰ মাজৰ ঘটনা সন্নিৱেশে গল্পলেখকৰ কথন কলাৰ পাৰদৰ্শিতাকো প্ৰকাশ কৰিছে। আত্মদৃষ্টিত ধৰা পৰা ঘটনাপুঞ্জৰ মাজৰ পৰা নিৰ্দিষ্ট ঘটনাংশ চয়ন কৰি বাঞ্চিত বিন্দুলৈ কাহিনীৰ গতি প্ৰবাহিত কৰিবৰ বাবে যি কৌশলৰ প্ৰয়োজন, সৰল বৰ্ণনভঙ্গীৰে সেয়া তেওঁ সম্ভৱ কৰি তুলিছে। কোনো ব্যক্তি বিশেষৰ প্ৰসঙ্গেৰে তৃতীয় পক্ষৰ আগত দিব লগা বৰ্ণনাৰ যি শৈলী, সৰলতাৰ মাজেৰে লক্ষ্মীনাথ ফুকনে তাকেহে গ্ৰহণ কৰিছে। ফলত ইঘৰ-সিঘৰ আৰু বহুঘৰ ঘূৰাই আনে মানে পাঠকেও নিৰ্দিষ্ট চৰিত্ৰৰ সম্পৰ্কত ধাৰণা গ্ৰহণ কৰি এটা কাহিনীৰ আমেজ অনুভৱ কৰিব পাৰিছে। দীৰ্ঘ পৰিসৰযুক্ত কাহিনী নিৰ্মাণ লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ মন কৰিবলগীয়া দিশ। দৰাচলতে পটভূমিৰ যিটো ক্ষেত্ৰত গল্পৰ চৰিত্ৰ আৰু কাৰ্য সংস্থাপিত হৈছে, গল্পলেখকে নানা প্ৰসঙ্গ টানি সেই নিৰ্দিষ্ট

ক্ষেত্ৰকে প্ৰসাৰতা প্ৰদান কৰিছে। ফলত বিষয় সংশ্লিষ্ট ক্ষেত্ৰখন গুৱাহাটীৰ পৰা গৈ কেতিয়াবা শ্বিলং পাইছে।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বিষয়-বিচিত্ৰ সততে চকুত পৰা ধৰণৰ। মূলতঃ সমকালীন সমাজ হ'লেও গল্পবোৰৰ বিষয়বস্তুৱে সম-সাময়িক যুগ পৰিবেশৰ বিভিন্ন পৰ্যায়ক প্ৰতিনিধিত্ব কৰিছে। একেদৰে কোনো ব্যক্তি জীৱনৰ ঘটনাবহুল দৈনন্দিন জীৱনপঞ্জীৰ ৰূপ চিত্ৰও পৰিলক্ষিত হৈছে। ইয়াৰ মূলতে হ'ল তীব্ৰ নিৰীক্ষণৰ ওপৰত প্ৰতিষ্ঠিত গল্প লেখকৰ বাস্তৱবোধ। কিন্তু মন কৰিলে দেখা যায় যে তেওঁৰ সেই নিৰীক্ষণ প্ৰায়েই বৰ্হিজগতৰ ঘটনা, প্ৰপঞ্চ আৰু মানৱ আচৰণৰ বিধিৰ মাজতে সীমাৱদ্ধ। কোনো চৰিত্ৰৰ মনৰ মাজত অৱস্থান কৰি তাক ব্যাখ্যা কৰাৰ প্ৰৱণতা লক্ষ্মীনাথ ফুকনৰ ৰচনাত নাই। আনহাতে কাহিনীৰ সন্তোষজনক পৰিণতিৰ প্ৰতিও তেওঁ অধীৰ আগ্ৰহী নহয়। দণ্ড বা সংঘাত সৃষ্টিৰ জৰিয়তে আদি, মধ্য আৰু অন্তৰ অৱস্থানো প্ৰায়বোৰ গল্পত পাবলৈ নাই। তাৰ মাজতে যি দুই এক গল্পবস্তুত এই তিনি অৱস্থান অনুভূত হয়, সেই গল্পসমূহৰো বিষয় বিচিত্ৰ আৰু পৰিসৰ অতি দীঘল। এনে দুটি গল্প হ'ল— 'মেধি' আৰু 'ৰূপহী মেম্'। লোকগীত, বিহুগীত আৰু আপ্তবাক্যৰ সন্নিৱেশেও লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বিষয়ক বিচিত্ৰ কৰা পৰিলক্ষিত হয়। কেতিয়াবা এনে সংযোজন কাহিনীৰ বাবে অসংযত যেন বোধ হ'লেও গল্প লেখকৰ যুক্তিৰ তুলাচনীত পৰি তেনে গীত-মাত বা আপ্তবাক্য আদি পাঠকৰ দ্বাৰা গৃহীত হোৱা দেখা যায়। এইখিনিতে মনত ৰাখিবলগীয়া যে ব্যক্তিগতভাৱে যুক্তি-বিচাৰক প্ৰাধান্য দিলেও লক্ষ্মীনাথ ফুকনে ভালেকেইটা গল্পত আৱেগ আৰু ভাৱালুতাৰ ওপৰত নিৰ্ভৰ কৰিছে। 'কবিৰ কাহিনী', 'মৰমৰ মাধুৰী', 'এই ছোৱালীবোৰ', 'বাঁহীৰ সুৰ', 'ভানুৰ জীয়েক ৰাণু', বিৰাট শূন্য আদি তেনেধৰণৰ গল্প।

লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত গল্পৰ পাঁচ সংকলনৰ নামাকৰণেও বিষয়ৰ বৈচিত্ৰপূৰ্ণতাকে প্ৰতিফলিত কৰিছে। তেওঁৰ প্ৰথম সংকলন 'মালা' (১৯১৮)ত সন্নিবিষ্ট গল্পবোৰ কিছুমান ঘটনাৰ মালাহে মাত্ৰ। গল্পলেখকৰ অপৈণত হাতৰ ৰচনা বুলি 'মালা'ৰ প্ৰসঙ্গত থকা পূৰ্ব মন্তব্য আমাৰ অধ্যয়নতো সমৰ্থিত হৈছে। অদৃষ্ট, পৰম্পৰা, সামাজিক ৰীতি, অভ্যাস, প্ৰেমৰ মাত্ৰাধিক ভাৱালুতা, কু-অভিপ্ৰায় আৰু অন্ধবিশ্বাস আদিয়ে 'মালা' গ্ৰন্থৰ গল্পসমূহক শীৰ্ষ বিন্দু লাভৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। লক্ষ্মীনাথ ফুকনৰ দ্বিতীয় গল্প সংকলন হ'ল 'ওফাইদাং' (১৯৫২)। গল্পসমূহ বাহিৰ

ৰঙীন আৰু ভিতৰ ফোঁপোলা তথা অন্তঃসাৰশূন্য মানুহৰ জীৱন চিত্ৰায়ক। ভণ্ড আৰু চৰিত্ৰহীন এক শ্ৰেণী মানুহৰ চৰিত্ৰ আক্ৰোশহীন ভাৱে উন্নত কলা-কৌশল অবিহনে এই গল্পসমূহত চিত্ৰিত হৈছে। আনহাতে শ্লেষপূৰ্ণ ভাষাৰ মাধ্যমত সৰল ব্যঙ্গও উক্ত সংকলনৰ গল্পসমূহৰ মাজত ৰক্ষিত হোৱা দেখা গৈছে। লক্ষ্মীনাথ ফুকনৰ তৃতীয় গল্পসংকলন হ'ল 'মৰমৰ মাধুৰী' (১৯৬৩)। নতুন মূল্যবোধৰ প্ৰতি গল্পলেখকৰ যি চিৰন্তন আকৰ্ষণ, চৰিত্ৰসমূহৰ যোগেদি সেই কথা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁক অপাৰগ যেন বোধ হয়। সুখপাঠ্য হ'লেও কোনোবাটো গল্পৰ পৰিণতি কেতিয়াবা আৱেগ-প্ৰৱণতাত জাহ গৈছে। 'মৰমৰ মাধুৰী' গল্পসংকলনৰ প্ৰথম গল্প 'মৰমৰ মাধুৰী'য়ে ইয়াৰ প্ৰমাণ। টকা-পইচাৰ যোগেদি মানুহৰ মাজৰ সম্পৰ্ক ৰক্ষিত বা নিৰ্ণীত হয় বোলা প্ৰপঞ্চটোৰ পৰা মুক্ত হৈ গল্পকাৰে সনাতন মানৱীয় সম্পৰ্কক আৱেগৰ জৰিয়তে সাব্যস্ত কৰিছে। উল্লেখ্য যে আদি, মধ্য আৰু অন্ত সম্বলিত 'মেধি' উক্ত সংকলনৰ এটি সাৰ্থক চুটিগল্প। লক্ষ্মীনাথ ফুকনৰ চতুৰ্থ গল্পসংকলন হ'ল 'আশাত উৎফুল্ল প্ৰাণ' (১৯৬৫)। উক্ত সংকলনখনৰ গল্পসমূহৰ ভিতৰত 'সেই দিন আৰু নাই' গল্পটো আটাইতকৈ দীঘল। পৰিবৰ্তনৰ বুকুত হেৰাই যাব ধৰা অতীতৰ প্ৰতি কৰা ৰোমন্থনে গল্পবস্তুক আকৰ্ষণীয় কৰাৰ লগতে একঘেয়ামীও কৰিছে। বাকী গল্পকেইটাত আছে প্ৰাপ্তিৰ আনন্দ-উল্লাস, যৌৱনৰ ভাৱালুতা, জেষ্ঠজনৰ মনত সন্মান লাভৰ প্ৰতি উৎসুক্য আৰু আনন্দ, পাৰিবাৰিক শৃংখলা, পাৰিবাৰিক অশান্তিৰ জৰ্জৰতা, পাৰস্পৰিক সম্বন্ধৰ সন্তাপ আৰু শূন্যতাবোধ, ৰোমাণ্টিক আৱেগ, পঞ্জীকাশ্ৰয়ী উৎসৱ আৰু প্ৰেমৰ অংকুৰণ আৰু নাৰীৰ স্থিতিগত সংকট আদি। সংকলনখনৰ গল্পসমূহ লক্ষ্মীনাথ ফুকনৰ জীৱন বাস্তৱতাৰ প্ৰতিফলক। বৰ্ণনাবহুলতাই মাজে মাজে স্পৰ্শ কৰিলেও কেওটা গল্পত তেওঁৰ পৈণত যুক্তি আৰু আৱেগৰ চিন বৰ্তমান। লক্ষ্মীনাথ ফুকনৰ শেষতম গল্প সংকলন হ'ল 'আনন্দে নধৰে হিয়া' (১৯৬৭)। সংকলনখনৰ অন্তৰ্গত প্ৰত্যেকটো গল্পয়ে পাঠকক পৰিণতিমুখৰ আনন্দ প্ৰদান কৰিবলৈ সক্ষম হৈছে। আন সংকলনকেইখনৰ তুলনাত উক্ত গ্ৰন্থত সন্নিবিষ্ট গল্পকেইটা অধিক নাট্যগুণধৰ্মী আৰু সেয়েহে মনোগ্ৰাহী। স্মৰ্তব্য যে দ্বিতীয় অধ্যায়ত আলোচিত সকলো গল্পৰে বিষয়বস্তু বহিঃজগতৰ ভিন্ন প্ৰান্তৰ পৰা সংগৃহীত। অসীমিত ক্ষেত্ৰৰ সতে থকা গল্পকাৰৰ সম্পৰ্কৰ বাবে এয়া সম্ভৱ হৈছে।

লক্ষ্মীনাথ ফুকনৰ গল্পবস্তুৰ অন্তঃস্থলত অনৱৰতে ভিন্ন বক্তব্যৰ ক্ৰিয়াশীলতা লক্ষ্য কৰা যায়। এগৰাকী মানৱদৰদী গল্প লেখকৰ বাবে কলাৰ বাবে কলাৰ চৰ্চা কেতিয়াবা প্ৰত্যাহ্বান।

আনহাতে জাতীয়তাবোধ আৰু মানৱতাবাদৰ প্ৰতি অধিক সচেতন কোনো কোনো লেখকে কলাৰ চিন্তা ব্যতিৰেকে বক্তব্য প্ৰদানৰ দায়িত্বহে বেছিকৈ পালন কৰা দেখা যায়। লক্ষ্মীনাথ ফুকন এনে লেখক গোষ্ঠীৰ মাজৰে এজন। পাঠকৰ সন্মুখত এটা বিষয় উত্থাপন কৰি সেই নিৰ্দিষ্ট বিষয় সম্পৰ্কত পাঠকৰ বোধ মেধাই স্পষ্ট ধাৰণা নোলোৱালৈকে তেওঁ বিভিন্ন প্ৰসঙ্গৰ অৱতাৰণা কৰে। ফলত লেখকৰ বাঞ্ছিত বক্তব্যৰ প্ৰভাৱত পাঠকৰ মনতো এটা অনুৰূপ ধাৰণাৰ সৃষ্টি হয়। ইয়াতে গল্পকাৰৰ সাৰ্থকতা যে তেওঁ যি ক'ব খুজিছে পাঠকে সেয়া অন্ততঃ ভাবিবলৈ বাধ্য হৈছে। গল্পৰ অন্তঃস্থলত অনুভূত হোৱা গল্পকাৰৰ বক্তব্য উদ্দেশ্যপ্ৰণোদিত হ'লেও বক্তৃতাধৰ্মী নহয়। কোনো পৰিস্থিতি, চৰিত্ৰ বা নিজৰ বৰ্ণনাৰ জৰিয়তে গল্পকাৰে জগত-জীৱন সম্পৰ্কীয় বক্তব্যখিনি সৰলভাৱে আগবঢ়াইছে। তাৰ বাবে প্ৰয়োজনত কৌতুকৰ উপৰিও কেতিয়াবা শ্লেষ আৰু ব্যঙ্গৰ আশ্ৰয় লৈছে। মনত ৰাখিবলগীয়া যে সকলো গল্পকথাৰ সুৰ আৰু সংগতি ভিন্ন ভিন্ন।

গৱেষণা গ্ৰন্থখনৰ তৃতীয় অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ চৰিত্ৰসমূহৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। পাঁচখন গল্পপুথিৰ চল্লিশটা গল্পৰ অধ্যয়নত বহু সংখ্যক চৰিত্ৰৰ উপস্থিতি লক্ষ্য কৰা যায়। এই অধ্যায়ত আলোচনাৰ সুবিধাৰ বাবে প্ৰতিনিধিত্বমূলক শ্ৰেণীভুক্তিৰে চৰিত্ৰবোৰৰ বিশ্লেষণ কৰা হৈছে। প্ৰতিনিধিত্বমূলক শিতানসমূহ হ'ল— গ্ৰামীণ দুখ-দৈন্যত ভাৰাক্ৰান্ত চৰিত্ৰ, গঞা জীৱনৰ চৰিত্ৰ, সাংস্কৃতিক জীৱনৰ চৰিত্ৰ, মধ্যবিত্ত শ্ৰেণীৰ চৰিত্ৰ, প্ৰগতিশীল চৰিত্ৰ, মানৱতাবাদী চৰিত্ৰ, পাশ্চাত্যৰ অন্ধ অনুকৰণত গঢ় লোৱা ফোঁপোলা মনোবৃত্তিৰ চৰিত্ৰ আৰু স্বাৰ্থপৰ আৰু তোষামোদকাৰী চৰিত্ৰ।

দুখ-দৈন্যত ভাৰাক্ৰান্ত চৰিত্ৰ হিচাপে প্ৰতিনিধিত্বমূলকভাৱে পোৱা চৰিত্ৰসমূহৰ ভিতৰত 'মুচী' গল্পৰ-মুচীজন, 'ভূতৰ উপদ্ৰৱ' গল্পৰ-ৰাতিয়া, 'শেষ আশ্ৰয়' গল্পৰ-কুমুদেশ্বৰ, 'পূজাৰ কাপোৰ' গল্পৰ থানেশ্বৰ আৰু ডালিমী, 'পৰ্দ্দাৰহস্য' গল্পৰ মেম্ হ'বলৈ যোৱা-ছোৱালীজনী, 'মাধৱীলতা' গল্পৰ-মাধৱী আদি। উক্ত চৰিত্ৰসমূহে পৰিস্থিতিৰ পাকচক্ৰত পৰি জীৱনৰ দৈনন্দিন বাস্তৱতাক নতশিৰে মানি লোৱা দেখা গৈছে। যেনে— মুচীজন কৰ্ম্মমুখী আৰু দায়িত্বপৰায়ন। ৰাতিয়া হ'ল ভোক আৰু প্ৰলোভনৰ চিকাৰ। কুমুদেশ্বৰ হ'ল দুখ-দৈন্যৰ পোতাশালত পৰি নগ্ন আধুনিকতাৰ দ্বাৰা নিৰ্যাতিত। থানেশ্বৰ আৰু ডালিমী আশ্ৰয়দাতাৰ ভণ্ডামীৰ বিৰুদ্ধে বিক্ষোভিত। মেম্ হ'বলৈ

আহি ভৱিষ্যতৰ প্ৰতি উদাসীন ছোৱালীজনী কেৱল খায় লৈ জীয়াই থাকিবৰ বাবে সকলোখিনি উজাৰি দিবলৈ উৎসুক। মাধৱীলতা অদৃষ্টৰ ওপৰত বিশ্বাসী বাবে দুখ-দৈন্যক স্বাভাৱিক সত্য বুলি মানি চলাৰ পক্ষপাতি। গঞা জীৱনৰ চৰিত্ৰ হিচাপে পোৱা প্ৰতিনিধিত্বমূলক চৰিত্ৰসমূহ হ'ল 'মেধি' গল্পৰ-মেধি, 'পেঞ্চনধাৰী' গল্পৰ-ভদ্ৰেশ্বৰ, 'ৰূপহী মেম' গল্পৰ-ভূধৰ আৰু শান্তিৰাম, 'আপোন মানুহ' গল্পৰ-পবিত্ৰ, 'বিহুৰ পিঠা' গল্পৰ-ভূৱনচন্দ্ৰ, 'সেই দিন আৰু নাই' গল্পৰ-ভোলাৰাম বৰমহৰি আদি। ইয়াৰ ভিতৰত 'মেধি' চৰিত্ৰটোত আছে আকাশলংঘা গ্ৰামীণ্ উদাৰতা। 'ভদ্ৰেশ্বৰ' চৰিত্ৰটোত আছে পৰিয়ালকেন্দ্ৰীক অনুশাসন আৰু উদাৰতা। 'ভদ্ৰেশ্বৰ' পৰম্পৰাগত নীতি ব্যৱস্থাৰ ৰক্ষক আৰু পাৰিবাৰিক সম্প্ৰীতিৰ পৃষ্ঠপোষক। 'ভূধৰ' শ্ৰমকাৰী কৃষিজীৱী সৰল-চহা লোক আৰু 'শান্তিৰাম' অলপ নোমটেঙৰ প্ৰকৃতিৰ তথা স্বাৰ্থলোভী। শিক্ষিত হ'লেও 'পৱিত্ৰ'ৰ চৰিত্ৰটোত গ্ৰামীণ্ সৰলতা বিৰাজমান। গাঁৱলীয়া সঁচা প্ৰেমৰ চঞ্চলতাৰে এই চৰিত্ৰটো চলমান। 'ভূৱনচন্দ্ৰ' আদৰ প্ৰত্যাশী আৰু আপোনভোলা তথা সৰলতাৰ প্ৰতিমূৰ্তি। 'ভোলাৰাম বৰমহৰি' পৰম্পৰা আশ্ৰয়ী যদিও যুক্তিবাদী আৰু সম্প্ৰীতি সচেতক।

সাংস্কৃতিক জীৱনৰ চৰিত্ৰ হিচাপে প্ৰাপ্ত চৰিত্ৰবোৰৰ ভিতৰত 'বিহুৰ পিঠা' গল্পৰ— শান্তি, 'লখিমী' গল্পৰ— লখিমী, 'বাঁহীৰ সুৰ' গল্পৰ— উদয়, 'বিহুৰ সম্ভাষণ' গল্পৰ— তৰুণী, 'বিহু সন্মিলন' গল্পৰ— ৰূপ লাৱণ্যময়ী আদি। উল্লেখ্য যে উক্ত চৰিত্ৰসমূহে সম্পাদনা কৰা কাৰ্যাৱলীয়েহে সংশ্লিষ্ট চৰিত্ৰৰ সাংস্কৃতিক মৰ্যাদা সুনিশ্চিত কৰিছে। ইয়াৰ ভিতৰত 'শান্তি' আদৰ্শ বোৱাৰী হৈও সেই ভাৱমূৰ্তি বৰ্তাই ৰাখিবলৈ অপাৰগ। 'লখিমী' মুছলমান জীয়ৰী হোৱাৰ পিছতো হিন্দুৰ ধৰ্ম লৈ সহনশীলা আদৰ্শ বোৱাৰী। 'উদয়' বাঁহীবলিয়া হোজা প্ৰেমিক। 'তৰুণী' পতিপৰায়ণা আৰু সংযত। 'ৰূপ লাৱণ্যময়ী' সাংস্কৃতিক তৎপৰতাৰে চঞ্চল যদিও অলপ সুযোগ সন্ধানী।

মধ্যবিত্ত শ্ৰেণীৰ চৰিত্ৰ বুলিলে প্ৰাপ্ত চৰিত্ৰকেইটাৰ ভিতৰত 'ঋণ পৰিশোধ' গল্পৰ 'অনিৰুদ্ধ' হ'ল নিম্ন মধ্যবিত্তীয় সৰল যুৱক। 'টাইপিষ্টৰ জীৱন' গল্পৰ 'মানিক শইকীয়া' অতি সহনশীল আৰু কৰ্মৰ দায়বদ্ধতাৰে মহিয়ান। 'দ্বিতীয় পক্ষ' গল্পৰ 'গকুল শইকীয়া' হ'ল সাংসাৰিক জঞ্জালৰ দ্বাৰা ভাৰাক্ৰান্ত আৰু বস্তুবাদিতাৰ চিকাৰ। 'মুচী' গল্পৰ 'প্ৰমোদ চন্দ্ৰ হাজৰিকা' উদ্যোগিক তৎপৰতাত ক্ৰমে এৰা পৰিবলগীয়া জীৱনৰ প্ৰতিনিধি।

প্ৰগতিশীল চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত গল্পলেখকৰ প্ৰগতিশীল চিন্তাৰ ছাপ অতি স্পষ্ট। এই

ক্ষেত্রত উল্লেখযোগ্য চৰিত্ৰসমূহৰ ভিতৰত 'নতুন জীৱন' গল্পৰ 'বৰাক আলি' হ'ল পৰোপকাৰী, দৃঢ় মনৰ আৰু যুক্তিবাদী। 'এই ছোৱালীবোৰ' গল্পৰ 'সীমা' অৰ্থসৰ্বচ্ছতাৰ সন্মুখত শিক্ষা-আদৰ্শৰ অনুগামী। 'বাঁহীৰ সুৰ' গল্পৰ 'জয়ৰাম' গ্ৰামীণ্ অন্ধত্বৰ পৰা মুক্ত হ'ব খোজা সাহসী যুৱক আনহাতে 'ভূমিধৰ পণ্ডিত' হ'ল উদাৰ, মৰমীয়াল আৰু যুক্তিৰ আধাৰত সমাজ সংগঠক। 'লখিমী' গল্পৰ 'পদ্মকমল' হ'ল মুছলমানৰ ছোৱালীক নিজৰ বোৱাৰী হিচাপে মানি ল'ব পৰাকৈ সাহসী অৱসৰপ্ৰাপ্ত উকীল। মন কৰিবলগীয়া যে উক্ত চৰিত্ৰসমূহে সমাজৰ পুৰণিকলীয়া ধ্যানধাৰণাৰ পৰা নিজক মুক্ত কৰাৰ লগতে সমাজখনো মুক্ত হোৱাৰ কামনা কৰে অথচ এই ক্ষেত্ৰত নেতৃত্ব ল'বৰ বাবে সাহস দেখুৱাব নোৱাৰে।

মানৱতাবাদী চৰিত্ৰসমূহৰ ভিতৰত প্ৰথমতে 'ৰূপহী মেম' গল্পৰ 'ৰূপহী' অন্যতম। জীৱনৰ প্ৰাক্ক্ষণত কৰা অজ্ঞান ভুলক তেওঁ জীৱনৰ অপৰাহ্নত সজ্ঞানে শুধৰণি কৰিছে। সমাজৰ কঠোৰতাৰ সন্মুখত আত্মমৰ্যাদা অটুত ৰাখিও সম্বন্ধৰ আৱেগৰ প্ৰতি সচেতন। 'মাধৱীলতা' গল্পৰ 'বাঁৰী তিৰোতাগৰাকী' সহমৰ্মিতাৰে মহিয়ান। 'শেষ আশ্ৰয়' গল্পৰ 'ক্ষীৰোদাকান্ত' নগৰীয়া স্বাৰ্থপৰতাৰ সন্মুখত একমাত্ৰ সঁচা বন্ধু। 'ডাক্তৰ' গল্পৰ ডাক্তৰ 'নাৰায়ণ চলিহা' সেৱাৰ বাবে উৎসৰ্গিত জীৱন; সতত্ব তেওঁৰ চৰিত্ৰৰ ভূষণ।

পাশ্চাত্যৰ অন্ধ অনুকৰণত গঢ় লোৱা ফোঁপোলা মনোবৃত্তিৰ চৰিত্ৰসমূহৰ অন্যতম 'মাধৱচন্দ্ৰ বৰুৱা'। চৰিত্ৰটো অৰ্থ আৰু যশস্যাৰ চিকাৰ আৰু বিজতৰীয়া সংস্কৃতিৰ অনুগামী। 'প্ৰাইভেট চেক্ৰেটাৰী' গল্পৰ 'শংকৰনাথ বৰুৱা' হ'ল চাতুৰীৰে যশস্যাবলীয়া লোক। 'ওফাইদাং' গল্পৰ 'অনন্ত' উকীল দাংকোপ মাৰা কথাৰ ভঁৰাল। 'এই ছোৱালীবোৰ' গল্পৰ 'বন্তি' অৰ্থৰ লালসাত মোহগ্ৰস্থ পৌঢ় মহিলা। স্বাৰ্থপৰ আৰু তোষামোদকাৰী চৰিত্ৰৰ ভিতৰত 'টাইপিষ্টৰ জীৱন' গল্পৰ 'মেনেজাৰ'জন হ'ল নিজৰ জোলোঙা ভৰাই আনক প্ৰতাৰণা কৰা ব্যক্তি। তেওঁ উদ্যোগীক শোষণৰ প্ৰতিমূৰ্তি। 'ওফাইদাং' গল্পৰ 'গগনমল বাবু' সুবিধাবাদী চতুৰ বনিয়া। 'প্ৰাইভেট চেক্ৰেটাৰী' গল্পৰ 'বিনন্দী কটকী' হ'ল থল চাই কঠিয়া পাৰা লোক। 'মহিমাময়ী' গল্পৰ 'মহিমাময়ী' হ'ল স্বভাৱ কৃপণ আৰু স্বাৰ্থপৰ মহিলা। চৰিত্ৰটো অৰ্থ লালসাৰ চিকাৰ। 'পূজাৰ কাপোৰ' গল্পৰ 'দুৰ্লভ চন্দ্ৰ শইকীয়া' ধুৰন্ধৰ আৰু চৰিত্ৰহীন। 'বিহু সন্মিলন' গল্পৰ 'বিচিত্ৰময়ী' ছদ্মবেশী সমাজকৰ্মী।

লক্ষ্মীনাথ ফুকনৰ এইধৰণৰ চৰিত্ৰাঙ্কনলৈ মন কৰিলে দেখা যায় যে গল্পৰ প্ৰতিটো চৰিত্ৰয়ে

বাহিৰৰ পৰা অংকিত। অৰ্থাৎ চৰিত্ৰৰ মানসিকতাৰ কোনো খবৰ বা দণ্ড ইয়াত চিত্ৰিত হোৱা নাই। চৰিত্ৰৰ বাহ্যিক আচৰণে গল্পৰ গতি প্ৰবাহক ওপৰোৱাভাৱে চলমান কৰি ৰাখিছে। আনহাতে কোনো এটা চৰিত্ৰয়ে সমাজক নেতৃত্ব দি পৰিবৰ্তনৰ ফালে ধাৱমান হোৱা নাই। কোনোবাটো চৰিত্ৰই সমাজত প্ৰচলিত ধ্যানধাৰণাৰ পৰা নিজে নাতিদূৰত অৱস্থান কৰিলেও দীৰ্ঘ সময়ৰ বাবে আনক তেওঁৰ অনুগামী বা সমৰ্থক কৰিব পৰা নাই। গল্পত এনে সুবিধা নথকা নহয়; তথাপি কোনো অজান কাৰণত গল্পকাৰে চৰিত্ৰৰ কাম-কাজৰ মাজত তেনে গুণৰ সমাহাৰ নঘটালে। এয়া গল্পকাৰৰ চৰিত্ৰাঙ্কনৰ সীমাৱদ্ধতাও হ'ব পাৰে। তথাপি ক'ব লাগিব যে মানুহৰ চৰিত্ৰাংকনৰ বাবে আগ্ৰহী গল্পকাৰ লক্ষ্মীনাথ ফুকনৰ গল্পসমূহত বিচিত্ৰ চৰিত্ৰৰ সমাৱেশ ঘটিছে আৰু প্ৰত্যেকটো চৰিত্ৰয়ে মানুহৰ একক-অদ্বিতীয়ত্বকে প্ৰতিনিধিত্ব কৰিছে।

চতুৰ্থ অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত থকা হাস্য-ব্যঙ্গাত্মক চিত্ৰ দাঙি ধৰাৰ লগতে অসমীয়া হাস্য-ব্যঙ্গাত্মক চুটিগল্পৰ এক আভাস দিবলৈ বিচৰা হৈছে। গল্পত প্ৰাপ্ত চিত্ৰসমূহক নিৰ্দিষ্ট শিতানত শ্ৰেণীভুক্ত কৰি সেইবোৰৰ বিশ্লেষণ কৰা হৈছে। আলোচনাকালত দেখা যায় যে অসমীয়া হাস্য-ব্যঙ্গ চুটিগল্পৰ ধাৰাটো বৰ সৰবৰাহী নহয়। আনহাতে এই ধাৰাৰ প্ৰতি আধুনিক গল্পকাৰসকলেও বৰ বেছি আগ্ৰহ দেখুওৱা নাই। তথাপি লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আজিলৈকে যিসকল গল্পকাৰে উক্ত ধাৰাৰে গল্প ৰচনা কৰি সংস্কাৰকামী মানসিকতাৰ পৰিচয় দিলে, সেইসকলৰ ভিতৰত লক্ষ্মীনাথ ফুকনক স্বকীয় বৈশিষ্ট্যসম্পন্ন গল্পলেখক বুলিব লাগিব। কিয়নো, পূৰ্বসুৰী কোনা ব্যঙ্গ ৰচনাশৈলীৰ দ্বাৰা তেওঁৰ ব্যঙ্গ ভাৰাক্ৰান্ত নহয়। যিসময়ত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে তীব্ৰ ব্যঙ্গ বাণেৰে ভণ্ডামীক থকা-সৰকা কৰিছে; সেই সময়ৰ নিকতৱৰ্তী হৈও লক্ষ্মীনাথ ফুকনে ভণ্ডামীৰ মুখাৰ আঁৰৰ মুখ উন্মোচিত কৰিবলৈ মাত্ৰ সৰল আৰু আক্ৰোশহীন ব্যঙ্গৰ আশ্ৰয় লৈছে। এক সহানুভূতিৰ শালীনতাৰে তেওঁৰ ব্যঙ্গই বিভিন্ন পক্ষ যেনে— ঘোচ্‌খোৰ লম্পট, স্বাৰ্থপৰতাৰ নগ্ন চৰিত্ৰ, শিক্ষিতৰ তৰাং আহুকাল, ধনৰ লালসা, বনিয়াৰ লুণ্ঠনৰ অভিসন্ধি, সংবাদপত্ৰৰ সস্তীয়া প্ৰচাৰধৰ্মিতা, ৰানীতিকৰ মিথ্যাচাৰ আৰু অহৈতুক হিন্দী প্ৰীতি আদিৰ ফোঁপোলা কৰ্ম-কাণ্ডকে উন্মোচিত কৰিছে। তাৰ বাবে প্ৰয়োজনত তেওঁ মস্কৰা, শ্লেষ আৰু কেতিয়াবা পোনপতীয়া ব্যঙ্গৰ আশ্ৰয় লৈছে।

লক্ষ্মীনাথ ফুকনৰ হাস্য-ব্যঙ্গাত্মক ৰচনাৰ মাজত দেখা পোৱা আন এটা বিশেষত্ব হ'ল যে

নগ্নতা বা ভণ্ডামী উন্মোচিত কৰিবলৈ গৈ তেওঁ সংশ্লিষ্ট চৰিত্ৰৰ কথা-বতৰা আৰু আচৰণকে ব্যৱহাৰ কৰিছে। কেতিয়াবা আন চৰিত্ৰৰ দ্বাৰা ঠাট্টা-মস্কৰাৰেও ভণ্ডামীখিনি সকলোৰে আগত দাঙি ধৰিছে। মন কৰিবলগীয়া যে সকলো দিশ উন্মোচিত কৰি গল্পকাৰে শ্ৰেণী ব্যৱস্থাটোৰ বিভিন্ন পক্ষক লাজ দিছে আৰু তাৰ মাজেৰে সকলো পক্ষৰ সংস্কাৰ হোৱালৈ তেওঁ আশাৰে বাট চাইছে।

হাস্য-ব্যঙ্গাত্মক শিতানত প্ৰাপ্ত আন এটা বিশেষত্ব হ'ল— ভণ্ডামী পক্ষৰ দ্বাৰা আত্মস্বাৰ্থ সমৰ্থনকাৰী যুক্তি বা অভিপ্ৰায়। অকৰাই মৈত উঠি নামিব নোখোজাৰ দৰে ঘোচ্‌খোৰ বদ্ অভ্যাসৰ পৰাও সংশ্লিষ্ট চৰিত্ৰই বাহিৰ ওলাব নোখোজে। তেনে চৰিত্ৰৰ কথা-কাণ্ডই পাঠকক চকিত্ কৰাৰ দৰে বিৰল হাস্য ৰসৰো যোগান ধৰে। অৱশ্যে হাস্য ৰসৰ যোগান ধৰাটোৱে গল্প লেখকৰ একমাত্ৰ উদ্দেশ্য নহয়; বৰং সমাজৰ এলান্ধু স্বৰূপ ভণ্ডামি, অসৎ প্ৰবৃত্তি আৰু অন্ধত্বক চিনাক্ত কৰি সকলোৰে সন্মুখত তাক দাঙি ধৰাহে তেওঁৰ উদ্দেশ্য। তথাপিতো গল্পসমূহৰ পঠনে হাঁহিৰ খোৰাক যোগাই আৰু লগে লগে আত্মগ্লানি তথা অনুশোচনাৰে সংশ্লিষ্ট পাঠক পক্ষক আত্মশুদ্ধিৰ সুবিধা দিয়ে। এনেদৰে এগৰাকী সমাজ সচেতন আৰু প্ৰচুৰ দায়িত্বপৰায়ণ লেখক হিচাপে লক্ষ্মীনাথ ফুকনে তৎকালীন সমাজৰ বিভিন্ন দিশ চিত্ৰণেৰে সমাজ সংস্কাৰকৰ দায়িত্ব পালন কৰিছে বুলিব পাৰি।

পঞ্চম অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ ৰচনাশৈলীৰ ঘাই দিশসমূহ থিৰাং কৰি শব্দ, বাক্যৰ উপৰিও নান্দনিকতাৰ বিভিন্ন বৈশিষ্ট্যাৱলীৰ আলোচনা কৰা হৈছে। প্ৰয়োজনত বৈয়াকৰণিক দৃষ্টিকোণেৰে তেওঁৰ ৰচনাৰ যথাৰ্থতা নিৰূপনৰ চেষ্টা কৰা হৈছে।

শৈলীৰ মাজেৰে এজন লেখকৰ ব্যক্তিসত্বা প্ৰতিভাত হয়। শব্দৰ প্ৰয়োগ আৰু বাক্যৰ সন্নিৱেশে লয় আৰু অলঙ্কাৰবদ্ধ হৈ লেখকৰ কলা-কুশলতা প্ৰতিপন্ন কৰে। লক্ষ্মীনাথ ফুকনৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে গল্প ৰচনাৰ বাবে নিৰ্বাচিত বাক্‌ভঙ্গী সদায়ে সৰল। মূলতঃ দেশপ্ৰেম, মানৱতাবাদ, জাতীয়তাবোধ আৰু আপোচহীন তথা কল্যাণ্‌কামী চেতনাৰে তেওঁৰ গল্পবস্তু পৰিপূৰ্ণ। সমাজ সংস্কাৰৰ উদ্দেশ্যধৰ্মিতাৰেও তেওঁৰ গল্পৰ বিষয় সংপৃক্ত। গতিকে বিষয়ৰ যথাৰ্থতা আৰু নান্দনিকতাৰ বাবে সহায়ক শব্দ, বাক্য (খণ্ডবাক্য, যোজনা, পটন্তৰ), অনুচ্ছেদ, লয়, কূটচিহ্ন আৰু বিবিধ অলঙ্কাৰ আদিৰ প্ৰয়োগ গল্পলেখকৰ কৃতিত্বৰে পৰিচায়ক। এই অধ্যায়ৰ আলোচনাকালত উক্ত দিশসমূহৰ প্ৰমাণসিদ্ধ বিশ্লেষণেৰে সংশ্লিষ্ট বিষয়ক স্থায়িত্ব প্ৰদানৰ চেষ্টা কৰা হৈছে।

লক্ষ্মীনাথ ফুকন জগত আৰু জীৱনৰ ৰূপকাৰ। ইয়াৰ বাবে প্ৰয়োজনীয় ভাষা প্ৰয়োগৰ ক্ষেত্ৰত তেওঁৰ সচেতনতা লক্ষ্য কৰা যায়। বিষয় অনুযায়ী ভাষা প্ৰয়োগৰ দক্ষতা লক্ষ্মীনাথ ফুকনৰ প্ৰতিটো গল্পৰ পঠনে অনুভূত কৰায়। এই ক্ষেত্ৰত কোনো পাশ্চাত্য গল্পকাৰৰ প্ৰত্যক্ষ প্ৰভাৱ পৰা বুলিও ক'ব নোৱাৰি। মোঁপাছাৰ 'নেকলেছ' নামৰ গল্পটোৰ অনুবাদ কৰালৈ লক্ষ্য কৰি তেওঁৰ গল্পত বহিঃ প্ৰভাৱ পোনপতীয়াকৈ পৰা সম্ভাৱনা নথকা নহয়; কিন্তু বিষয়-বৈশিষ্ট্যৰ আলোচনাকালত তেনে কোনো প্ৰভাৱ দেখা পোৱা নাযায়। গতিকে ক'ব পাৰি যে গল্প ৰচনাৰ যি শৈলী তেওঁ গ্ৰহণ কৰিছে, সেয়া স্বকীয় কাব্য-কুশলতাৰ ফল। কেইটামান বিশেষত্বমূলক প্ৰসঙ্গয়ো উক্ত কথাৰ সমৰ্থন কৰে। যেনে— লক্ষ্মীনাথ ফুকনৰ শব্দ আৰু বাক্য সন্নিৱেশ সদায়ে যথোপযুক্ত। বিষয় বা প্ৰসঙ্গ, চৰিত্ৰ বা পৰিস্থিতিৰ অন্তৰ্বৰ্তী ভাৱাবেগক তেওঁৰ দ্বাৰা ব্যৱহৃত শব্দ আৰু বাক্যই যতাৰ্থভাৱে প্ৰতিফলিত কৰিব পাৰিছে। মাত্ৰাধিক শব্দ প্ৰয়োগ আৰু বৰ্ণনাৰ অতিৰঞ্জন প্ৰায় নাই বুলিব পাৰি। প্ৰতিটো গল্প ৰচনাৰ অন্তৰালত থকা লেখকৰ সংস্কাৰৰ মনোবৃত্তিকে সাধাৰণভাৱে বৰ্ণনাই তুলি ধৰিছে। এইখিনিতে দেখা যায় যে দীৰ্ঘ পৰিসৰযুক্ত বিবৰণৰ বাবে তেওঁৰ গল্পক কেতিয়াবা বাহুল্যবৰ্ণন দোষদুষ্ট যেন লাগে; কথাটো সঁচা নহয়। স্বৰূপাৰ্থত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত একেটা প্ৰসঙ্গৰ মাত্ৰাধিক বৰ্ণনা নাই; বৰং একাধিক প্ৰসঙ্গৰহে যথাৰ্থ বিবৰণ আছে। একাধিক প্ৰসঙ্গ, পৰিস্থিতি বা ঘটনা যুক্ত হোৱা বাবেহে কেতিয়াবা তেওঁৰ গল্পৰ পৰিসৰ স্বাভাৱিকভাৱে দীঘল হৈ পৰিছে। তাৰ মাজতো ভিন্নধৰ্মী বাক্যেৰে সমৃদ্ধ তেওঁৰ বৰ্ণনা গভীৰ পৰ্যৱেক্ষণ্ শক্তি, পৰিমাৰ্জিত ৰুচিবোধ, যুক্তিবাদী দূৰদৃষ্টি, উদাৰ মানসিকতা, নিভাঁজ ভাষাপ্ৰেম, স্বদেশপ্ৰীতি তথা জাতীয়তাবোধেৰে সংপৃক্ত। ভিন্নধৰ্মী শব্দ প্ৰয়োগৰ কুশলতাই লক্ষ্মীনাথ ফুকনৰ ৰচনাক অধিক প্ৰকাশক্ষম কৰা দেখা গৈছে। বিশেষকৈ তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ, আৰ্বী-পাৰ্চী, ইংৰাজী, বঙলা, হিন্দীৰ উপৰিও নিভাঁজ অসমীয়া শব্দ, যুৰীয়া শব্দ, অনুকাৰ শব্দ, স্বকীয় শব্দ, ক্ৰিয়া বিশেষণ, সন্ধিযুক্ত শব্দ আৰু নামবাচক পদৰ সংযোজনে তেওঁৰ গল্পৰ ভাষাৰ প্ৰকাশ ক্ষমতা বঢ়োৱাৰ লগে লগে বোধগম্যতাও বঢ়াইছে। অৱশ্যে গল্পৰ শব্দ সম্ভাৰৰ ভিতৰত অৰ্ধ-তৎসম শব্দৰ সীমিত প্ৰয়োগৰ বিপৰীতে ইংৰাজী আৰু যুৰীয়া শব্দৰ বহুল প্ৰয়োগ লক্ষ্য কৰা যায়। এনে প্ৰয়োগ বহুলতাই গল্পৰ বাক্যক মাজে মাজে ভাৰাক্ৰান্ত কৰা যেন বোধ হয়। ইয়াৰ ফলত কাহিনী বা চৰিত্ৰৰ অভিপ্ৰায়ৰ সহজ বোধগম্যতা হ্ৰাস পোৱাৰ উপৰিও গদ্যৰ মৰ্যাদা আকস্মিকভাৱে

অৱনমিত হোৱা যেন লাগে। আনহাতে উপৰ্যুপৰি ব্যৱহাৰ কৰা সমাৰ্থক যুৰীয়া শব্দই কেতিয়াবা কোনো বাক্যক অৰ্থৰ পুনৰুক্তিৰে দোষদুষ্ট কৰা দেখা গৈছে। শব্দৰ মিতব্যয়িতাৰ প্ৰতি যি সচেতনতাৰ প্ৰয়োজন উক্ত বাক্যৰ ক্ষেত্ৰত সেয়া কম যেন বোধ হয়। এইক্ষেত্ৰত গল্পকাৰ অলপ সাৱধান হোৱাৰ প্ৰয়োজন আছিল। তথাপি ক'ব লাগিব যে এনে দুই এটা সৰু-সুৰা দোষ বাদ দি লক্ষ্মীনাথ ফুকনৰ শব্দ ভাণ্ডাৰ অতি চহকী তথা অৰ্থঘনত্বৰে মহিয়ান।

ভাষাৰ স্বয়ংসম্পূৰ্ণ একক হিচাপে বাক্যৰ ভূমিকা অপৰিসীম। লক্ষ্মীনাথ ফুকনে ভাৱৰ স্বচ্ছতা অনুযায়ী সুসংৱদ্ধ বাক্য গঠন কৰা দেখা গৈছে। বৈচিত্ৰপূৰ্ণ ভাৱ প্ৰকাশৰ সক্ষমতাৰে তেওঁৰ বাক্যই বিষয়ৰ বোধগম্যতা সহজ কৰি তুলিছে। জীৱনৰ আদি বয়সৰ ৰচনা হিচাপে 'মালা' আদি গল্প সংকলনৰ বাক্যবোৰ পৈণত নহয় যদিও পৰৱৰ্তীকালীন বাক্যসমূহে গল্পকাৰৰ কথন কলাক মূৰ্ত কৰি তোলা পৰিলক্ষিত হৈছে। বহু বিভিন্ন বাক্যৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ ৰচনাত থকা বাক্যসমূহ হ'ল— সৰল, যৌগিক, জটিল, বৰ্ণনাত্মক, বাৰ্তাবাহক, হাস্যৰসাত্মক, প্ৰশ্নবোধক, সংখ্যাবাচক, গীতিধৰ্মী, কাব্যময়, নাটকীয়, ব্যঙ্গাত্মক, জ্ঞানজ্ঞাপক, ভাৱবোধক, চিন্তামূলক, যুক্তিনিষ্ঠ, অনুজ্ঞা বা উপদেশমূলক আদি। উক্ত বাক্যৰ গঠন প্ৰক্ৰিয়া সদায়ে ৰসবোধক, বুদ্ধিগ্ৰাহ্য আৰু বাৰ্তা পৰিবাহক। এইখিনিতে মনকৰিবলগীয়া যে উক্ত একাধিক বাক্যৰ প্ৰয়োগে লক্ষ্মীনাথ ফুকনৰ গল্পৰ কথনশৈলীক একঘেয়ামিতাৰ পৰা মুক্ত কৰিছে। অৰ্থাৎ ভিন্নধৰ্মী বাক্যৰ সন্নিৱেশে বৰ্ণন বাহুল্য বা অতিৰঞ্জনৰ আহুকালৰ পৰা মুক্ত কৰি পাঠকৰ হৃদয়বৃত্তক ভিন্ন সুৰীয়া স্বাদ বৈচিত্ৰ্যৰে আহ্লাদিত কৰিব পাৰিছে। আনহাতে ব্যৱহৃত সকলো বাক্যয়ে চৰিত্ৰৰ আৱেগ-অনুভূতিক গল্পৰ শেষলৈকে বোৱাই ৰাখি গল্পকাৰৰ ভাৱাৱেগক মাত্ৰা প্ৰদান কৰিছে আৰু পাঠকৰ মনোজগতকো এক নান্দনিক সন্তুষ্টিৰে ওপচাই তুলিছে। এইখিনিতে মনত ৰাখিবলগীয়া যে খণ্ডবাক্য, যোজনা আৰু পটন্তৰৰ প্ৰয়োগেৰেও লক্ষ্মীনাথ ফুকনে গল্প ৰচনাৰ মূল অভিপ্ৰায়ক গল্পত মনোজ্ঞ কৰি তুলিছে। এগৰাকী গদ্যকাৰ হিচাপে এয়া তেওঁৰ ভাষিক দক্ষতা আৰু সাহিত্যিক দায়ৱদ্ধতা হিচাপে বিবেচিত হৈছে।

গদ্যৰ সাৰ্থকতা বহু পৰিমাণে অনুচ্ছেদ, লয় আৰু কূটচিহ্নৰ ওপৰতো নিৰ্ভৰশীল। লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত চুটি আৰু দীঘল দুই ধৰণৰ অনুচ্ছেদ পোৱা গৈছে। অনুচ্ছেদবোৰ গল্পবস্তুৰ ক্ৰমাগত উত্থানৰ সহায়ক তথা গল্পকাৰৰ চিন্তা-আদৰ্শক উন্মোচিত কৰি ৰখাৰ বাবে সামৰ্থবান।

ব্যৱহৃত লয়ে গতি আৰু যতিৰ মুখৰতাৰে অধিক অৰ্থবহ হৈ পাঠকৰ হৃদয়বৃত্তক আলোকিত কৰিছে। একেদৰে কূটচিহ্নৰ যথাৰ্থ প্ৰয়োগ কৰি গল্পকাৰে চৰিত্ৰ আৰু বৰ্ণনাৰ অন্তৰ্লীন আৱেগ-উৎকণ্ঠাক নিয়ন্ত্ৰণ কৰিব পাৰিছে। ফলত বাক্য ৰসঘন, মনোজ্ঞ আৰু হৃদয়স্পৰ্শী হৈ গল্প ৰচনাৰ মূল উদ্দেশ্যক সাৰ্থকতা প্ৰদান কৰিছে। লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ ৰচনাশৈলীৰ প্ৰসঙ্গত অলঙ্কাৰ প্ৰয়োগৰ দক্ষতাও বিচাৰ কৰা হৈছে। দৰাচলতে অলঙ্কাৰ প্ৰয়োগৰ জৰিয়তেহে এজন লেখকৰ নন্দনতাত্ত্বিক পাৰদৰ্শিতা নিৰ্ণয় কৰা সহজ হৈ পৰে। সেইবাবে উক্ত দিশৰ বিশ্লেষণকালত অলঙ্কাৰৰ উৎসৰ সন্ধান কৰা হৈছে। দেখা যায় যে লক্ষ্মীনাথ ফুকনৰ কবিসত্তাই গল্প ৰচনাৰ সময়ত অনৱৰতে যেন ক্ৰিয়াশীল হৈ আছিল। এগৰাকী বাস্তৱ জীৱনৰ ৰূপকাৰ হিচাপে তেওঁৰ দ্বাৰা ব্যৱহৃত অলঙ্কাৰৰ উৎস বাস্তৱ জীৱন আৰু জগত। গহীন আৰু ব্যঙ্গ উভয় ৰচনাতে যথাৰ্থভাৱে অলঙ্কাৰৰ প্ৰয়োগ কৰি তেওঁ বাক্যৰ সহজগ্ৰাহ্যত্ব বঢ়াই তুলিছে। ফলত গদ্য জাকজমকীয়া হৈ পাঠকৰ শিল্প চেতনাক আলোকিত কৰিছে, বিষয়ৰ চমৎকাৰিত্ব বৃদ্ধি পাইছে আৰু অৰ্থৰ গ্ৰহণযোগ্যতা তাৎক্ষণিক হৈছে। উল্লেখ যে কবিতাৰ তুলনা বুজিবৰ বাবে সাধাৰণতে যি কাব্যময় হৃদয়গ্ৰাহ্যত্বৰ প্ৰয়োজন, লক্ষ্মীনাথ ফুকনৰ গল্পৰ অলঙ্কাৰৰ তুলনা বুজিবৰ বাবে তেনে কোনো বিশেষ গুণৰ প্ৰয়োজন নহয়। কিয়নো তেওঁৰ গল্পৰ তুলনাসমূহৰ উৎস হ'ল চকু মেলিলেই চুকি পোৱা সাধাৰণ জীৱ আৰু জড় জগত। সকলো উৎসয়ে গল্পলেখকৰ স্বভাৱজাত প্ৰসিদ্ধিক পৰিপূৰ্ণতা প্ৰদান কৰিছে। আনহাতে বৰ্ণনাত যি পৰ্যৱেক্ষণশীলতা পৰিলক্ষিত হয়, অলঙ্কাৰৰ বাবে সংগৃহীত উপমেয়-উপমানৰ ক্ষেত্ৰতো সেই একে পৰ্যৱেক্ষণশীলতা আৰু স্বতঃস্ফূৰ্তত‌া লক্ষ্য কৰা যায়।

লক্ষ্মীনাথ ফুকনৰ অলঙ্কাৰৰ উপমান আৰু উপমেয়ই সামৰি লোৱা বিষয়সমূহ হ'ল— কুকুৰৰ নেজ, বুঢ়া কামীহাড়, ভেঁকুলীৰ ছাল, সুৰাৰ ফেনিলতা, ফপৰীয়া জোতা, কেঞা আঙুলি, কলা চুলিটাৰি, মেকুৰী, কলা সাপ, হৰিণা, গোলাপ, পূজাৰ প্ৰতিমা, পদুমৰ ঠাৰি, মাটিৰ গোঁসানী, হিমালয় পৰ্বত, প্ৰশান্ত মহাসাগৰ, মাছ, সোণ আদি। যিধৰণৰ শব্দৰ সমন্বয়ত উক্ত বিষয়সমূহৰ অৱতাৰণা কৰা হৈছে; অল্পশিক্ষিত পাঠকেও তেনে তুলনাৰ অৰ্থ অনুধাৱন কৰিবলৈ সক্ষম হয়। অৰ্থাৎ লক্ষ্মীনাথ ফুকনৰ অলঙ্কাৰ বুদ্ধিগ্ৰাহ্য নহয়; হৃদয়বেদ্যহে। অন্তৰস্থ ৰসবোধক ভাষাৰ সহায়ত প্ৰকাশ কৰিব খোজোতে স্বভাৱগত কাব্যচেতনাই বৰ্ণনাৰ মাজে মাজে স্বতঃস্ফূৰ্তভাৱে সিঁচৰতি হৈ পৰা যেন বোধ হয়। এই স্বতঃস্ফূৰ্তত‌া বিষয় আৰু প্ৰসঙ্গৰ সতে খাপ খোৱা। একেদৰে

স্বভাৱগতভাৱে গল্পৰ মাজত প্ৰাপ্ত তুলনাবোৰ গল্পকাৰৰ পৰ্যৱেক্ষণ শক্তি, ভাষিক সক্ষমতা আৰু বক্তব্যৰ শৃংখলাৰে পৰিপূৰ্ণ। গতিকে অলঙ্কাৰ প্ৰয়োগত যে লক্ষ্মীনাথ ফুকন বিশেষভাৱে পাৰদৰ্শী সেয়া উপমা, ৰূপক, অনুপ্ৰাস, উৎপ্ৰেক্ষা, মালাৰূপক, স্মৰণ, সন্দেহ, মালোপমা আৰু অপহ্নুতি আদিৰ মাজেৰে প্ৰমাণসিদ্ধ। সকলো গল্পতে অৱশ্যে এনেধৰণৰ অলঙ্কাৰ পাবলৈ নাই, তথাপি যিকেইটা গল্পৰ বৰ্ণনাত পোৱা গ'ল; প্ৰসঙ্গ আৰু পৰিবেশনৰ ফালৰ পৰা সেইবোৰ অতি কলাসন্মত। সাহিত্যৰ বুৰঞ্জীত এগৰাকী সাৰ্থক গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভৰ বাবে নিশ্চিতভাৱে এয়াই যথেষ্ট।

এনেদৰে গৱেষণা কৰ্মৰ ওপৰোক্ত বিচাৰ-বিশ্লেষণৰ যোগেদি লক্ষ্মীনাথ ফুকন সম্পৰ্কীয় বিভিন্ন প্ৰসঙ্গক স্পষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। তাৰ ভিতৰৰে আকৌ কিছুমান দ্বাৰ্থবোধক বিষয়ক পুনৰীক্ষণ কৰি স্থায়ী সিদ্ধান্তও গ্ৰহণ কৰা হৈছে। এইক্ষেত্ৰত দ্বিধাহীনভাৱে সকলো দিশ বিশ্লেষণ কৰাৰ পিছতহে স্থায়ী সিদ্ধান্ত গ্ৰহণৰ কথা ভবা হৈছে। এইখিনিতে পূৰ্ব অনুমানক সিদ্ধান্তলৈ সলনি কৰিব খোজা কেইটামান দিশ সংক্ষেপতে তলত দিয়া ধৰণৰ—

(ক) গল্প ৰচনাৰ সময়ৰ ভিত্তিত লক্ষ্মীনাথ ফুকন 'ৰামধেনু যুগ'ৰ গল্পকাৰ। অৱশ্যে গল্পসমূহৰ কথনভঙ্গী আৱাহন কালৰ কথন পৰম্পৰাৰ পৰিপূৰক।

(খ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্পসমূহত বহু বিচিত্ৰ ঘটনাৰ সমাৱেশ ঘটিলেও সকলো ঘটনায়ে সামৰণিৰ লক্ষ্যস্থানত উপনীত হোৱা দেখা গৈছে। অৰ্থাৎ ঘটনাৰ ভিৰৰ মাজত মূল উদ্দেশ্যৰ পৰা দিক্‌ভ্ৰান্ত নোহোৱাকৈ গল্পকাৰে সংশ্লিষ্ট সকলো ঘটনাকে সামৰণিৰ শেষতম বিন্দুত থিয় কৰাব পাৰিছে।

(গ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ সকলো চৰিত্ৰ বাহিৰৰ পৰা অংকিত। অৰ্থাৎ মনস্তত্ত্ব বা বিশেষ ভাৱালুতাৰ দ্বাৰা পৰিচালিত হোৱাৰ বিপৰীতে নিকত বাস্তৱতাৰ ভেটিত সকলো চৰিত্ৰৰ জীৱন গঠিত। সেয়ে ক'ব পাৰি যে সুখৰ সহজ গ্ৰাহ্যত্বৰ আদৰ্শেৰে চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত গল্পকাৰ পাৰদৰ্শী।

(ঘ) লক্ষ্মীনাথ ফুকনে চুটিগল্প ৰচনাৰ সময়ত পুৰুষৰ সমানে নাৰীৰ সামাজিক স্থিতিৰ প্ৰতিও সচেতনতা প্ৰদৰ্শন কৰা দেখা যায়। বিশেষকৈ নাৰীৰ প্ৰতি নমিত শ্ৰদ্ধা আৰু সহমৰ্মিতা প্ৰকাশ কৰি গল্পকাৰে নাৰীৰ নিম্নস্থিতিৰ চিৰ অৱসান বিচৰা পৰিলক্ষিত হয়।

(ঙ) ঊনবিংশ শতিকাৰ কু-সংস্কাৰ আৰু সংকীৰ্ণতাৰ প্ৰতি লক্ষ্মীনাথ ফুকনৰ দৃষ্টি শ্লেষ আৰু তিৰ্যককেৰে ভৰা। সেয়েহে হাস্য-ব্যঙ্গৰ জৰিয়তে লজ্জানত কৰি সংশ্লিষ্ট পক্ষক শুধৰণিৰ প্ৰয়াস তেওঁৰ গল্পত বৰ্তমান। হাস্য-ব্যঙ্গাত্মক গল্পসমূহ সমাজ সংস্কাৰৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ ৰচিত গল্পকাৰৰ উদ্দেশ্য প্ৰণোদিত ৰচনাহে।

(চ) লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত চুটিগল্পৰ ভাষা সহজ-সৰল তথা ৰসবোধক। বিশেষকৈ একাধিক যুৰীয়া শব্দ আৰু নামবাচক স্বকীয় শব্দৰ সংযোগে তেওঁৰ গল্পৰ ভাষাক ৰসপূৰ্ণ কৰি তোলা দেখা যায়। কথনভঙ্গীৰ সৰলতাই গল্পৰ মাজত গল্পকাৰৰ কায়িক উপস্থিতিক সততে অনুভূত কৰায়।

উল্লিখিত বিশ্লেষণ আৰু সিদ্ধান্তসমূহৰ ভিত্তিত ক'ব পাৰি যে লক্ষ্মীনাথ ফুকনৰ চুটিগল্পসমূহ অসমীয়া গল্পৰ ইতিহাসত মৰ্যাদাপূৰ্ণ আসন লাভৰ বাবে উপযোগী। পাঁচখন গল্পপুথিত প্ৰাপ্ত চল্লিশটা গল্পৰ প্ৰতিটোৱে শ্ৰেষ্ঠ গল্প নিশ্চয় নহয়; কিন্তু তাৰ মাজৰে কেইটামান গল্প আছে, যিবোৰ নান্দনিকতা আৰু বিষয়গত দিশত বহু শ্ৰেষ্ঠ গল্পৰ সমকক্ষ। বিশেষকৈ 'মেধি', 'টাইপিষ্টৰ জীৱন', 'ডাক্তৰ', 'মৰমৰ মাধুৰী', 'বিহুৰ পিঠা', 'পেন্সনধাৰী', 'ৰূপহী মেম', 'শেষ আশ্ৰয়', 'মহিমাময়ী', 'নতুন জীৱন', 'ঔফাইদাং' আদি। এই গল্পকেইটাৰ জৰিয়তে গল্পকাৰৰ কথন কলা প্ৰতিষ্ঠিত হৈছে। অৱশ্যে অলপ সাৱধানতা অৱলম্বন কৰা হ'লে লক্ষ্মীনাথ ফুকনৰ সাৰ্থক গল্পৰ সংখ্যা আৰু বঢ়াৰ সম্ভাৱনা আছিল। তথাপি আলোচ্য গল্পকেইটাৰ বিষয়-বৈশিষ্ট্যৰ ভিত্তিতে লক্ষ্মীনাথ ফুকনক অসমীয়া চুটিগল্পৰ ইতিহাসত এজন সাৰ্থক গল্পকাৰ বুলিব পৰা যায়।

✦✦✦✦